# প্ৰধানমন্ত্ৰীয়ে ওমানৰ চুলতানৰ পৰা অভিনন্দনসূচক টেলিফোনিক বাৰ্তা লাভ কৰে

11 জুন, 2024

প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ওমানৰ চুলতান হাইথাম বিন তাৰিকৰ পৰা এটা টেলিফোনিক বাৰ্তা লাভ কৰে।

সদ্য সমাপ্ত সাধাৰণ নিৰ্বাচনৰ পিছত তৃতীয়টো কাৰ্যকালৰ বাবে প্ৰধানমন্ত্ৰী হিচাপে পুনৰ নিযুক্তি লাভ কৰাৰ বাবে ছুলতান হাইথাম বিন তাৰিকে প্ৰধানমন্ত্ৰীক আন্তৰিক অভিনন্দন জ্ঞাপন কৰে।

ওমান আৰু ভাৰতৰ মাজৰ শতাব্দীজোৰা বন্ধুত্বৰ সম্পৰ্কত প্ৰধানমন্ত্ৰীয়ে গুৰুত্ব আৰোপ কৰে আৰু ভাৰতৰ জনসাধাৰণৰ প্ৰগতি আৰু সমৃদ্ধিৰ বাবে তেওঁৰ শুভেচ্ছা জ্ঞাপন কৰে।

প্ৰধানমন্ত্ৰীয়ে মহামান্য চুলতানৰ উষ্ণ শুভেচ্ছাৰ বাবে ধন্যবাদ জ্ঞাপন কৰে আৰু 2023 চনৰ ডিচেম্বৰ মাহত তেওঁৰ ঐতিহাসিক ভাৰত ভ্ৰমণৰ বিষয়ে উল্লেখ কৰে। এই ভ্ৰমণৰ জৰিয়তে সকলো ক্ষেত্ৰতে দ্বিপাক্ষিক সহযোগিতা গভীৰ হৈছে।

দুয়োগৰাকী নেতাই দুয়োখন দেশৰ পাৰস্পৰিক লাভালাভৰ অৰ্থে ভাৰত-ওমানৰ অংশীদাৰিত্বক আৰু অধিক গভীৰ আৰু শক্তিশালী কৰাৰ প্ৰতিশ্ৰুতি পুনৰ দোহাৰে।

প্ৰধানমন্ত্ৰীয়ে আগন্তুক ঈদ আল-আধা উৎসৱ উপলক্ষে মহামহিম ৰজা আৰু ওমানৰ জনসাধাৰণক আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰে।

**নতুন দিল্লী**
**11 জুন, 2024**